NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-04-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

## HEADLINES

১। লোকসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ সম্পন্ন হৈছে। এই পৰ্যায়ত সামগ্ৰিকভাৱে প্ৰায় ৬৫ দশমিক ৭-৬ শতাংশ ভোটদান হোৱাৰ বাতৰি পোৱা গৈছে।
২। অসমত এই পৰ্যায়ত বিয়লি ৫ বজা পৰ্যন্ত প্ৰায় ৭০ দশমিক ৬-৬ শতাংশৰো অধিক ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিছে।
৩। লোকসভা নিৰ্বাচনৰ বাকী পৰ্যায়কেইটাৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে।
৪। প্ৰতিৰক্ষা সচিব গিৰিধৰ আৰামানেই  সকলো ধৰণৰ সন্ত্ৰাসবাদৰ প্ৰতি শূন্য সহনশীলতাৰ দৃষ্টিভংগী গ্ৰহণৰ আৱশ্যকতাত গুৰুত্ব আৰোপ কৰিছে। *আৰু*
৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কিছু সময়ৰ পাছত কলকাতাৰ ইডেন গাৰ্ডেনছত হ'বলগীয়া এখন খেলত পাঞ্জাব কিংছ কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

oooooooo

লোকসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ সম্পন্ন হৈছে। এই পৰ্যায়ত সামগ্ৰিকভাৱে প্ৰায় ৬৫ দশমিক ৭-৬ শতাংশ ভোটদান হোৱাৰ বাতৰি পোৱা গৈছে। এই পৰ্যায়ত ১২খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ ৮৮ খন আসন সামৰি লোৱা হৈছে।  ভোটগ্ৰহণ অনুষ্ঠিত হোৱা সমষ্টিকেইটাৰ ভিতৰত অসম আৰু বিহাৰৰ ৫টাকৈ, কেৰালাৰ ২০টা, কৰ্ণাটকৰ ১৪টা, ৰাজস্থানৰ ১৩টা, উত্তৰ প্ৰদেশ আৰু মহাৰাষ্ট্ৰৰ ৮টাকৈ, মধ্যপ্ৰদেশৰ ৬টা, পশ্চিমবংগ আৰু ছত্তিশগড়ৰ ৩টাকৈ তথা মণিপুৰ, ত্ৰিপুৰা আৰু জম্মু-কাশ্মীৰৰ এটাকৈ সমষ্টি আছে।  এই ৮৮টা সমষ্টিৰ লগতে আউটাৰ মণিপুৰ সমষ্টিৰ এটা অংশৰ বাবেও আজি ভোটগ্ৰহণ সম্পন্ন হয়। সমষ্টিটোত ৭৬ দশমিক শূন্য-৬ শতাংশ ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰে।

মধ্য প্ৰদেশৰ বেটুল সংসদীয় সমষ্টিৰ বাবেও আজি ভোটগ্ৰহণ হোৱাৰ কথা আছিল যদিও বি এছ পিৰ প্ৰাৰ্থীগৰাকীৰ মৃত্যুৰ পৰিপ্ৰেক্ষিতত সমষ্টিটোত  ভোটগ্ৰহণ তৃতীয় পৰ্যায়লৈ পিছুৱাই দিয়া হৈছে।

এই পৰ্যায়ত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা আগশাৰীৰ নেতাসকলৰ ভিতৰত কংগ্ৰেছৰ ৰাহুল গান্ধী, চি পি আইৰ এনি ৰাজা, কেন্দ্ৰীয় মন্ত্ৰী ৰাজীৱ চন্দ্ৰশেখৰ, কংগ্ৰেছ নেতা শশী থাৰুৰ, বিজেপিৰ তেজস্বী সূৰ্য, হেমামালিনী, অৰুণ গভিল, ওম বিৰলা, কৰ্ণাটকৰ প্ৰাক্তন মুখ্যমন্ত্ৰী জে ডি এছৰ এইছ ডি কুমাৰ স্বামী, বিজেপিৰ দিলীপ শইকীয়া, পৰিমল শুক্লবৈদ্য, আৰু কংগ্ৰেছৰ প্ৰদ্যুৎ বৰদলৈ অন্যতম। এই পৰ্যায়ত আউটাৰ মণিপুৰ সংসদীয় সমষ্টিৰ ৪ গৰাকী প্ৰাৰ্থীসহ মুঠ এহেজাৰ ২০২ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে।

অসমৰ ৫ টা সমষ্টিতো আজি শান্তিপূৰ্ণভাৱে দ্বিতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ ভোটগ্ৰহণ সম্পন্ন হয়। বিয়লি ৫ বজা পৰ্যন্ত ৰাজ্যখনত প্ৰায় ৭০ দশমিক ৬-৬ শতাংশৰো অধিক ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিছে। দৰং-ওদালগুৰি সমষ্টিত ৭২ দশমিক ৯-৯, ডিফুত প্ৰায় ৬৯ দশমিক ৬-২, কৰিমগঞ্জত ৭১ দশমিক ১-২, নগাঁৱত ৭১ দশমিক ৮-৪ আৰু শিলচৰত ৬৫ দশমিক ৫-৭ শতাংশ ভোটদাতাই ভোটৰ অধিকাৰ সাব্যস্ত কৰিছে। দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনত ৰাজ্যখনত ২ গৰাকী মহিলা প্ৰাৰ্থীসহ মুঠ ৬১ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে।

দৰং-ওদালগুৰি সমষ্টিত এন ডি এৰ প্ৰাৰ্থী তথা সাংসদ দিলীপ শইকীয়া, কংগ্ৰেছৰ মাধৱ ৰাজবংশী আৰু বিপিএফৰ দুৰ্গাদাস বড়োৱে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। ইপিনে, শিলচৰত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী মন্ত্ৰী পৰিমল শুক্লবৈদ্য, তৃণমূল কংগ্ৰেছৰ ৰাধেশ্যাম বিশ্বাস আৰু কংগ্ৰেছ দলৰ সূৰ্য্যকান্ত সৰকাৰে প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে। কৰিমগঞ্জত বিজেপি মিত্ৰজোঁটৰ কৃপানাথ মাল্লা, কংগ্ৰেছৰ হাফিজ ৰছিদ চৌধুৰী আৰু এ আই ইউ ডি এফৰ চাহাবুল ইছলাম চৌধুৰীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। নগাঁও সমষ্টিত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী সুৰেশ বৰাৰ বিপৰীতে কংগ্ৰেছ দলৰ প্ৰদ্যুৎ বৰদলৈ আৰু এ আই ইউ ডি এফৰ আমিনুল ইছলামে প্ৰতিদ্বন্দ্বিতা কৰিছে। অনুসূচিত জনজাতিৰ বাবে

সংৰক্ষিত ডিফু সমষ্টিত বিজেপি মিত্ৰজোঁটৰ হৈ অমৰছিং তিছ্, কংগ্ৰেছৰ জয়ৰাম ইংলেং আৰু গণ সুৰক্ষা পাৰ্টীৰ জন বাৰ্নাড চাংমাই প্ৰতিদ্বন্দ্বিতা কৰিছে।

00000000

লোকসভা নিৰ্বাচনৰ বাকী পৰ্যায়কেইটাৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। ঘাই ঘাই ৰাজনৈতিক দলৰ জ্যেষ্ঠ নেতাসকলে নিজ নিজ দলৰ প্ৰাৰ্থীৰ হকে দেশৰ বিভিন্ন প্ৰান্তত প্ৰচাৰ চলোৱা পৰিলক্ষিত হৈছে।

প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে আজি বিহাৰৰ মুংগেৰ আৰু আৰাৰিয়াত দুখন নিৰ্বাচনী সভাত সম্বোধন কৰে। শ্ৰীমোদীয়ে কয় যে, তোষামোদ আই এন ডি আইৰ মিত্ৰজোঁটত শাসনৰ আৰ্হি হোৱাৰ বিপৰীতে সন্তুষ্টি বিজেপিৰ শাসনৰ আৰ্হি । তেওঁ কয় যে, বিজেপি নেতৃত্বাধীন  এন ডি এ চৰকাৰে মহিলাসকলক শৌচালয়, গেছ, বিদ্যুৎ সংযোগ আৰু পানীৰ দৰে সুবিধা প্ৰদান কৰিছে। এন ডি এ চৰকাৰে বিনামূলীয়া চিকিৎসা সেৱাও সুনিশ্চিত কৰিছে বুলি শ্ৰী মোদীয়ে উল্লেখ কৰে। বিহাৰত আৰ জে ডিৰ শাসনৰ কথা উল্লেখ কৰি শ্ৰী মোদীয়ে কয় যে, জংগলৰাজৰ সময়ত মুংগেৰ সৰ্বাধিক ক্ষতিৰ সন্মুখীন হৈছিল। এন ডি এ চৰকাৰে জে ডি উ আৰু বিজেপিৰ নেতৃত্বত মুংগেৰক অন্ধকাৰৰ পৰা উলিয়াই আনিছে বুলি প্ৰধানমন্ত্ৰী মোদীয়ে উল্লেখ কৰে। শ্ৰী মোদীয়ে কয় যে, এইবাৰৰ নিৰ্বাচন দেশক কৌশলগত আৰু অৰ্থনৈতিকভাৱে উন্নত ৰাষ্ট্ৰ হিচাপে প্ৰতিষ্ঠা কৰাৰ নিৰ্বাচনৰূপে পৰিগণিত হৈছে। তেওঁ লগতে আৰ জে ডি আৰু কংগ্ৰেছ মিত্ৰজোঁটে দেশৰ সংবিধান অথবা গণতন্ত্ৰৰ কেৰেপ নকৰে বুলি অভিযোগ উত্থাপন কৰে। তেওঁ কয় যে, এই দল দুটাই দশক দশক ধৰি জনসাধাৰণক ভোটদানৰ অধিকাৰ সাব্যস্ত কৰাত বাধা প্ৰদান কৰিছিল আৰু তেওঁলোকৰ শাসনকালত বলপূৰ্বকভাৱে ভোটগ্ৰহণ কেন্দ্ৰ দখল কৰি বৈধ ভোটাৰৰ ঠাইত অন্য লোকৰ দ্বাৰা ভোটদান কৰাৰ ঘটনা সাধাৰণ কথা আছিল।

বিৰোধী মহামিত্ৰজোঁটৰ নেতাসকলেও তৃতীয় আৰু চতুৰ্থ পৰ্যায়ৰ ভোটগ্ৰহণ হ'বলগীয়া সংসদীয় সমষ্টিসমূহৰ দলীয় প্ৰাৰ্থীৰ হকে ঠায়ে ঠায়ে প্ৰচাৰ চলাইছে। বিকাশশীল ইনছান পাৰ্টিৰ মুৰব্বী মুকেশ চাহানীয়ে আজি বিহাৰৰ ঝাঞ্জৰপুৰ আৰু কাষৰীয় এলেকাসমূহত কেইবাখনো নিৰ্বাচনী সভাত আৰু ৰোড শ্ব'ত অংশ লয়। কংগ্ৰেছৰ ৰাজ্যিক সভাপতি অখিলেশ প্ৰসাদেও ভোটদাতাসকলৰ সৈতে সম্পৰ্ক কাৰ্যসূচীত ভাগ লয়।

ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰী পশ্চিমবংগৰ মালদাত এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। তেওঁ কয় যে, তৃণমূল কংগ্ৰেছ আৰু কংগ্ৰেছৰ বাবে তোষামোদ একো নতুন কথা নহয়। প্ৰধানমন্ত্ৰীয়ে দুয়োটা দলে তোষামোদৰ বাবে যিকোনো কাম কৰিব পাৰে বুলি প্ৰকাশ কৰে। দল দুটাই দেশৰ সুৰক্ষাৰ হকে এন ডি এ চৰকাৰে লোৱা প্ৰতিটো সিদ্ধান্ত প্ৰত্যাহাৰ কৰিব বিচাৰে বুলি শ্ৰীমোদীয়ে অভিযোগ তোলে। তেওঁ কয় যে, এটা সময়ত পশ্চিমবংগ দেশৰ উন্নয়নৰ চালিকা শক্তি আছিল কিন্তু প্ৰথমে বাঁও দল আৰু পাছত তৃণমূল কংগ্ৰেছৰ শাসনকালত ৰাজ্যখনৰ মহত্ত্ব ম্লান হৈছে আৰু উন্নয়নো স্থবিৰ হৈ পৰিছে।

ইপিনে, তৃণমূল কংগ্ৰেছৰ সভানেত্ৰী তথা পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে আজি ঘাটল সংসদীয় সমষ্টিত এখন নিৰ্বাচনী সভাত ভাগ লয়। তেওঁ কেন্দ্ৰীয় চৰকাৰে বিভিন্ন কল্যাণমূলক আঁচনিৰ বাবে  ৰাজ্যখনলৈ পুঁজি যোগান নধৰা বুলি অভিযোগ তোলে।

ইফালে, কংগ্ৰেছৰ জ্যেষ্ঠ নেতা ৰাহুল গান্ধীয়ে আজি কৰ্ণাটকৰ বিজাপুৰ লোকসভা সমষ্টিত বিজয়াপুৰাত এখন নিৰ্বাচনী সভা সম্বোধন কৰে। তেওঁ আই এন ডি আই মিত্ৰজোঁট ক্ষমতালৈ আহিলে প্ৰতিগৰাকী স্নাতকক ব্যক্তিগত কোম্পানী অথবা চৰকাৰী কাৰ্যালয়ত এবছৰীয়া শিক্ষা নবিচীৰ সুযোগ প্ৰদানৰ আৰু এনে সুযোগ লাভ কৰা ব্যক্তিগৰাকীক এবছৰত ১ লাখ টকা প্ৰদানৰ প্ৰতিশ্ৰুতি আগবঢ়ায়। তেওঁ লগতে খেতিয়কসকলৰ ঋণ মাফ কৰা আৰু কৃষিজাত সামগ্ৰী ন্যূনতম সমৰ্থন মূল্য সন্দৰ্ভত আইনী নিশ্চয়তাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। তেওঁ কয় যে, আই এন ডি আই মিত্ৰজোঁট ক্ষমতালৈ আহিলে অগ্নিবীৰ আঁচনিৰ বাতিল কৰা হ'ব আৰু সৈন্য নিযুক্তিৰ পুৰণি ব্যৱস্থা বাহাল কৰা হ'ব। ৰাজ্যসমূহৰ বাবে অধিক অংশ সুনিশ্চিত কৰাৰ উদ্দেশ্যে সামগ্ৰী আৰু সেৱা কৰ ব্যৱস্থাত নতুন ৰূপ দিয়া হ'ব বুলি কংগ্ৰেছ নেতাগৰাকীয়ে মন্তব্য কৰে।

মধ্য প্ৰদেশত লোকসভা নিৰ্বাচনৰ বাকী পৰ্যায়ৰ বাবে প্ৰচাৰ তীব্ৰতৰ হৈ উঠিছে। কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা অমিত শ্বাহে আজি অশোকনগৰ আৰু ৰাজগড় লোকসভা সমষ্টিত কেইবাখনো জনসভাত ভাগ লয়। শ্ৰী শ্বাহে কয় যে, বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে দেশত উমৈহতীয়া দেৱানী বিধি তেওঁ ৰূপায়ণ কৰিব। কংগ্ৰেছৰ ৰাজ্যিক সভাপতি জিতু পাটৱাৰী, ৰাজ্যসভাৰ সাংসদ বিবেক টংখা

আৰু প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী অৰুণ যাদৱে আজি বুঢ়হানপুৰত দলীয় প্ৰাৰ্থীৰ হকে প্ৰচাৰ চলায়। বিজেপিয়ে কৰ্মসংস্থাপনহীনতা আৰু মুদ্ৰাস্ফীতিৰ লেখীয়া বুনিয়াদী বিষয়ৰ পৰা মনোযোগ অন্যফালে ঢাল খুওৱাৰ চেষ্টা চলাইছে বুলি নেতাকেইগৰাকীয়ে অভিযোগ কৰে।

উত্তৰ প্ৰদেশতো নিৰ্বাচনী প্ৰচাৰ তুংগত উঠিছে। বি এছ্‌ পি নেতা আকাশ আনন্দে  আম্বেদকাৰ নগৰ আৰু কৌশাম্বি লোকসভা সমষ্টিত দুটা সমাৰেশক সম্বোধন কৰে। সমাজবাদী পাৰ্টিৰ মুৰব্বী অখিলেশ যাদৱে আজি ইটাহ্‌ জিলাত নিৰ্বাচনী সভাত ভাগ লয়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বৰেইলী জিলাত এটা ৰোড শ্ব'ত নেতৃত্ব দিয়াৰ আৰু বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে বৰেইলী আৰু মোৰদাবাদত দলীয় প্ৰাৰ্থীৰ হকে প্ৰচাৰ চলোৱাৰ কথা আছে।০

০০০০০০০০

প্ৰতিৰক্ষা সচিব গিৰিধৰ আৰামানেই ছাংহাই সহযোগিতা সংস্থাৰ সদস্য ৰাষ্ট্ৰসমূহৰ সমৃদ্ধি আৰু উন্নয়নৰ হকে সকলো ধৰণৰ সন্ত্ৰাসবাদৰ প্ৰতি শূন্য সহনশীলতাৰ দৃষ্টিভংগী গ্ৰহণৰ আৱশ্যকতাত গুৰুত্ব আৰোপ কৰিছে। কাজাখস্তানৰ আষ্টানত অনুষ্ঠিত ছাংহাই সহযোগিতা সংস্থাৰ প্ৰতিৰক্ষা মন্ত্ৰীসকলৰ বৈঠকত অংশগ্ৰহণ কৰি আজি শ্ৰী আৰামানেই এইদৰে প্ৰকাশ কৰে। বৈঠকত তেওঁ ছাংহাই সহযোগিতা সংস্থা অঞ্চলত শান্তি, সুস্থিৰতা আৰু নিৰাপত্তা বৰ্তাই ৰখাৰ প্ৰতি ভাৰতৰ দৃঢ় প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা দোহাৰে। প্ৰতিৰক্ষা সচিবগৰাকীয়ে লগতে  ৰাষ্ট্ৰসংঘত আন্তঃৰাষ্ট্ৰীয় সন্ত্ৰাসবাদ সম্পৰ্কত সৰ্বাত্মক চুক্তি সম্পৰ্কীয় ভাৰতৰ দীৰ্ঘদিনীয় প্ৰস্তাৱৰ কথা উল্লেখ কৰে। আজিৰ বৈঠকত ছাংহাই সহযোগিতা সংস্থাৰ সদস্য ৰাষ্ট্ৰসমূহৰ প্ৰতিৰক্ষা মন্ত্ৰীসকলে প্ৰট'ক'লত স্বাক্ষৰ কৰে।

০০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কিছু সময়ৰ পাছত কলকাতাৰ ইডেন গাৰ্ডেনছত হ'বলগীয়া এখন খেলত পাঞ্জাব কিংছ কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০০

সমাপ্ত